# স্বকীয়া বড়ো-ৰাজ্যৰ আন্দোলন আৰু আমাৰ নিবেদন

নিখিল বড়ো ছাত্ৰ সন্থা (উ.)ৰ আন্দোলনে তৃতীয় বছৰৰ দুৱাৰডলিত ভৰি দিলেহি। সম্প্ৰতি এই আন্দোলনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতি বিষম আৰু জটিল হৈ উঠিল। একালে হিংসাত্মক আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ক্ৰমাধিক উগ্ৰতা আৰু আন ফালে পুলিচৰ নিৰ্বিচাৰ দমন-পীড়ন তথা প্ৰতি-সন্ত্ৰাসবাদী কাৰ্য। ইয়াৰ মাজত বলি হৈছে দুবেলা-দুমুঠি কোনোমতে খাই জীয়াই থকা খাটি খোৱা নিৰীহ মানুহ। আন্দোলনটো অধিকভাৱে আবেগ-চালিত হৈ উঠাৰ কাৰণে জাতি-বিদ্বেষ-উদ্ৰেককাৰী বিচিত্ৰ উৰা-বাতৰিয়ে মানুহক বিভ্ৰান্ত আৰু দিকভ্ৰান্ত কৰিছে, আৰু অন্ধ আক্ৰমণৰ বৰ্শামুখ নিজৰ ভাই-ভনীৰ বুকুলৈকে উদ্যত হৈছে। স্বভাৱতেই ই এক অত্যন্ত অবাঞ্ছিত আৰু আত্মঘাতী পৰিস্থিতি।

জনজাতীয় জনগোষ্ঠীসমূহ আজি নিজ অস্তিত্ব ৰক্ষাৰ কাৰণে সজাগ হৈ উঠিছে। নিজৰ ভাষা, সংস্কৃতি, পৰম্পৰা আৰু আত্ম-শাসনৰ হকে এই জনগোষ্ঠীসমূহৰ যি জাগৰণ হৈছে আমি তাৰ প্ৰতি সৰ্বান্তঃকৰণে সমৰ্থন জনাওঁ। তেওঁলোকৰ দাবীসমূহৰ গুৰিত থকা আশা-আকাংক্ষাৰ প্ৰতি আমি সম্পূৰ্ণে সহানুভূতিশীল। লগতে আমি এইষাৰ কথাও দোহাৰিব খোজোঁ যে স্বাধীনতাৰ পিছৰ ছকুৰি বছৰো অধিক কালছোৱাত ভাৰতবৰ্ষৰ অঙ্গৰাজ্যসমূহৰ বিকাশ সম-পৰ্যায়লৈ অহা নাই, আৰু এই অসমান বিকাশৰ ক্ষেত্ৰত সবাতোকৈ পশ্চাদপদ, বঞ্চিত আৰু অৱহেলিত ৰাজ্যখন হল অসম, আৰু এই অসমৰে গাৰ মঙহ জনজাতীয় জনগোষ্ঠীৰ অঞ্চলসমূহ তাতোকৈ পিছ পৰা আৰু অৱহেলিত। স্বাধীন ভাৰতৰ সংবিধান ৰচিত হোৱাৰ লগে লগেই ঘোষণা কৰা হৈছিল, ১০ বছৰৰ ভিতৰত পিছ-পৰা অনুসূচিত জাতি আৰু জনজাতিসমূহৰ বিকাশ সাধন কৰি তাক ভাৰতবাসীৰ সমান পৰ্য্যায়লৈ উন্নীত কৰা হ'ব। কিন্তু সেই ঘোষণা কাগজতে থাকিল; বাস্তৱত দেখা গ'ল, এই পিছ-পৰা মানুহখিনি আৰু অধিক পিছ পৰিহে যাবলৈ ধৰিলে, তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰা হ'ল। আন হাতে, জনজাতীয় সমস্যাটোক সমগ্ৰ দেশ তথা দেশবাসীৰে সমস্যা বুলি গণ্য কৰিব নোৱৰাৰ কাৰণে এক বিচ্ছিন্নতামুখী প্ৰৱণতাই গা কৰি উঠিল। এইদৰে বস্তুনিষ্ঠ দৃষ্টিভঙ্গী তথা কৰ্মনীতিৰ অভাৱত সমস্যাটোত অযথা আউল লাগিছে। আমাৰ দৃঢ় বিশ্বাস, অসমৰ জনজাতীয় জনগোষ্ঠীৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰাম সমগ্ৰ অসমবাসীৰে আত্ম বিকাশৰ সংগ্ৰাম।

প্ৰসঙ্গক্ৰমে এষাৰ কথা দোহাৰিব পাৰি যে, অসমৰ সংস্কৃতি বিভিন্ন ধাৰাৰ মিলনৰ সংস্কৃতি, সমন্বয়ৰ সংস্কৃতি। সেয়ে প্ৰত্যেক ধাৰাৰ বৈশিষ্ট্যৰ স্বকীয়তাৰ পূৰ্ণ বিকাশ হলেহে

OKDISCD

সংস্কৃতিৰ সামগ্ৰিক ৰূপটো পূৰ্ণ-প্ৰস্ফুটিত শতদলৰ দৰে বিকশিত হৈ উঠিব। সেই কাৰণেই অসমৰ জনজাতিসমূহৰ অস্তিত্ব ৰক্ষা তথা প্ৰতিপন্ন কৰাৰ আন্দোলনে সমগ্ৰ অসমৰ অস্তিত্ব দৃঢ় কৰত অৰিহণা যোগাব।

গতিকে, সমস্যাটোৱে যিমানেই ভয়াবহ ৰূপ নলওক লাগিলে, সি যিমানেই বিষম আৰু জটিল নহওক লাগিলে, তাৰ সমাধানৰ কাৰণে 'আইন-শৃংখলা' ৰক্ষাৰ ব্যৱস্থাই এক-মাত্ৰ উপায় হব নোৱাৰে। এই পথ অত্যন্ত অপৰিণামদৰ্শী হ'ব। সমস্যাটোৰ আন্তৰিক আলোচনাৰ মাজেদিহে সমাধান কৰিব পৰা হব বুলি আমি দৃঢ় মত পোষণ কৰোঁ।

আমি অত্যন্ত দুঃখেৰে লক্ষ্য কৰিছো যে অসমৰ বৰ্তমান চৰকাৰটোও সঠিক দৃষ্টিভঙ্গীৰে সময়োচিত ব্যৱস্থা গ্ৰহণত বিফল হৈছে, আৰু কেন্দ্ৰীয় চৰকাৰেও সংকীৰ্ণ ৰাজনৈতিক দলীয় স্বাৰ্থ-সিদ্ধিৰ হকে পৰিস্থিতিৰ সুযোগ ব্যৱহাৰ কৰিছে। ফলত আন্দোলনৰ বাঞ্ছিত গতি বিপথমুখী হৈছে, জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছে আৰু আপোন কোন, পৰ কোন, আন্দোলন সাৰ্থক হোৱাত কিহে আগ ভেটা দিছে আৰু সেই ভেটা কেনেকৈ ভাঙিব পাৰি আদি সম্পৰ্কে স্পষ্ট ধাৰণাত উপনীত হোৱাত প্ৰচণ্ড খেলিমেলিৰ সৃষ্টি হৈছে। আমি আন্দোলনৰ নেতৃবৃন্দক এই দিশটো অনুধাৱন কৰি আন্দোলনটোক সমগ্ৰ অসমবাসীৰে শুভ-ইচ্ছাৰ কাষ চপাই আনিবলৈ গোহাৰি জনাওঁ।

আমি সৰ্বসাধাৰণ ৰাইজক দুৰ্যোগ-দুৰ্গতিৰ মাজলৈ ঠেলি দিয়া এই ভয়ংকৰ পৰিস্থিতিত অতিশয় উদ্বিগ্ন আৰু চিন্তিত হৈ পৰিছোঁ। আমি সেয়ে চৰকাৰী কূটনীতি আৰু ৰাজ-নৈতিক চাতুৰীৰ পৰিবৰ্তে এক প্ৰকৃত আৰু বলিষ্ঠ সমন্বয়ৰ ভেটি ৰচনা কৰিবলৈ জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সমূহ ৰাইজ, ছাত্ৰ-যুৱ-সংগঠন, শিল্পী-সাহিত্যিক, ধীমানসকল আৰু আন্দোলনৰ নেতৃবৃন্দলৈ আহ্বান জনাওঁ।

## ৰাইজলৈ আমাৰ আহ্বান ঃ

- সকলোধৰণৰ সন্ত্ৰাসবাদী প্ৰতি-সন্ত্ৰাসবাদী আৰু সম্প্ৰদায়িক কাৰ্য-কলাপ প্ৰতিৰোধ কৰক।
- ভাতৃঘাতী সংঘৰ্ষৰ পৰিবৰ্তে প্ৰকৃত শত্ৰুৰ বিৰুদ্ধে সকলো সম্প্ৰদায়ৰ ৰাইজ ঐক্যবদ্ধ হৈ থিয় দিয়ক।
- বিদ্বেষ-বৈষম্যৰ মনোভাব আৰু প্ৰতিহিংসাৰ সলনি জনগোষ্ঠীসমূহৰ মাজত পাৰস্পৰিক সন্মান, সহানুভূতি আৰু সহযোগিতামূলক দৃষ্টিভঙ্গীৰে সাম্প্ৰদায়িক সম্প্ৰীতি গঢ়ি তোলক, আৰু উগ্ৰ তথা সংকীৰ্ণ জাতীয়তাবাদী চিন্তা আৰু কাম-কাজ প্ৰতিহত কৰক।

## আন্দোলনৰ নেতৃবৃন্দলৈ আমাৰ গোহাৰি ঃ

- সদৌ ৰাইজৰ স্বাৰ্থতে আন্দোলনটো সাময়িকভাৱে প্ৰত্যাহাৰ কৰক আৰু আলোচনাৰ

ভৱিষ্যতে সমস্যা সমাধানৰ অনুকূল পৰিৱেশ গঢ়ি তোলাৰ সহযোগিতা আগ বঢ়াওক।

● আন্দোলনৰ প্ৰকৃতি আৰু পদ্ধতি গণতান্ত্ৰিক কৰি তাক সকলো লোকৰ শুভেচ্ছা আৰু সহযোগিতাৰ কাষ চপাই আনক।

● সন্ত্ৰাসবাদী-প্ৰতি-সন্ত্ৰাসবাদী কাৰ্য-কলাপ দৃঢ়তাৰে প্ৰতিৰোধ কৰক।

## চৰকাৰৰ ওচৰত আমাৰ দাবী ঃ

● অতিৰিক্ত পুলিচ আৰু অৰ্দ্ধ-সামৰিক বাহিনী সংশ্লিষ্ট অঞ্চলবোৰৰ পৰা শীঘ্ৰে আঁতৰাই আনক আৰু আলাপ-আলোচনাৰ সুস্থ পৰিৱেশ গঢ়ি তোলক।

● সন্ত্ৰাসবাদ-বিৰোধী আইনখন শীঘ্ৰে প্ৰত্যাহাৰ কৰক আৰু প্ৰতিটো হত্যা (ব্যক্তি আৰু পুলিচী), লুণ্ঠন, ধৰ্ষণ, অন্যায়-অবিচাৰৰ ন্যায়িক তদন্ত কৰি দোষীক দণ্ড দিয়ক।

● ৰাইজৰ মাজত নিৰাপত্তা আৰু নিশ্চয়তাৰ পৰিৱেশ গঢ়ি তোলক।

● জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে নিগৃহীত আৰু ক্ষতিগ্ৰস্তসকললৈ ক্ষতিপূৰণ আৰু সাহায্য আগ বঢ়াওক।

● অসমৰ সামগ্ৰিক জাতীয় জীৱনৰ স্বাৰ্থতে জনজাতীয় সমস্যাসমূহৰ যথোচিত সমাধানৰ হকে নিৰ্দ্দিষ্ট কৰ্মনীতি আৰু কৰ্মসূচী গ্ৰহণৰ উদ্যোগ শীঘ্ৰেই হাতত লওক। ইতি,

সম্প্ৰীতি সমিতিৰ হৈ

| | |
|---|---|
| কেশৱ মহন্ত | শৈলেন মেধি |
| লোকনাথ গোস্বামী | গুণীন বৰদলৈ |
| ৰত্ন ওজা | ললিত বৰমুদৈ |
| ৰবিৰাম ব্ৰহ্ম | তৰেন বড়ো |
| অনিল বৰুৱা | বাসুৰাম বড়ো |
| মাখন দেৱান | ঘন শৰ্মা |
| মনীষা হাজৰিকা | বিশ্বনাথ ব্ৰহ্ম |
| নিকুঞ্জলতা মহন্ত | ভোগেশ্বৰ দত্ত |
| চেতনা দাস | ধৰ্ম দাস |
| সৌৰভপ্ৰাণ গোস্বামী | ৰমেশ কলিতা |
| টংকেশ্বৰ দত্ত | অশ্বিনী বেজবৰুৱা |
| প্ৰমোদ ভূঞা | সৌম্যাৰজ্যোতি দেৱ মহন্ত |

OKDISCD

নবীন চন্দ্ৰ তালুকদাৰ
তৰুণ বৰা
কৃষ্ণানন্দ শৰ্মা
প্ৰদীপ কুমাৰ সৰকাৰ
মুকুল দত্ত
দুৰ্গা দাস
ৰঞ্জু কুমাৰ গোস্বামী
জিতেন শৰ্মা
সৌৰভ দাস
ভাৰ্গৱ শৰ্মা
দিলীপজ্যোতি শৰ্মা
খগেন মহন্ত
ইন্দ্ৰ বনিয়া
ৰণু দেৱী ঠাকুৰ
ৰবীন সৰকাৰ
নীলপৱন বৰুৱা
ৰমেন বৰুৱা
গুণমণি বৰা
ডঃ দীনেশ ডেকা
সমীৰ চৌধুৰী
তৰুণ কলিতা
তোলন ভৰালী
হৰিশ হালৈ
খনীন বৰুৱা
নৰ শৰ্মা
সুৰেন দত্ত
শাৰদী শইকীয়া
ধ্ৰুৱজ্যোতি বৰা
কাবাৰাম স্বৰ্গীয়াৰী
নিত্যানন্দ হাজৰিকা
বুবুল বৰুৱা
মাণিক আহমদ
ধীৰাজ বৈশ্য
সঞ্জয় তাঁতী
আৰু

ভাৰতীয় গণনাট্য সংঘ, সদৌ অসম জন সাংস্কৃতিক পৰিষদ, দীপক সংঘ, নাটশালা নিউ আৰ্ট প্লেয়াৰ্ছ, অসম শিল্পী দিবস সমিতি. খাৰঘুলি উন্নয়ন সমিতি, হিড়িম্বাপুৰ শাখা বড়ো সাহিত্য সভা, সুৰ বাহিনী, গুৱাহাটী শিল্পী সংঘ, অঙ্কুৰ গোষ্ঠী, আৰ্টিষ্ট ভিলেজ, ওদালগুৰি; নাবিক, উত্তৰ লক্ষীমপুৰ; কাৰ্বি কালচাৰেল ছোচাইটি, ডিফু জিপছি গিল্ড, মঙ্গলদৈ; অসম চাহ জনজাতি সাংস্কৃতিক পৰিষদ।

□

সম্প্ৰীতি সমিতিৰ হৈ আহ্বায়কদ্বয় শ্ৰীকেশৱ মহন্ত আৰু শ্ৰীলোকনাথ গোস্বামীৰ দ্বাৰা প্ৰকাশিত আৰু লাই-লেচাই ছপাঘৰ, হেঙেৰাবাৰী, গুৱাহাটী-৬ ত মুদ্ৰিত।

OKDISCD